# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 03-05-2025 **Time :** 12-05 Hrs.

## Assamese Midday Bulletin

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ মুঠ ১৪ খন জিলাত ভোটগ্ৰহণ সম্পন্ন হয়। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি কালিৰ নিৰ্বাচনত ৭০ দশমিক ১-৯ শতাংশ ভোটদান সম্পন্ন হয়।

তিনিচুকীয়া জিলাত ৪৮ দশমিক ১-৪ শতাংশ, ডিব্ৰুগড়ত ৭০ দশমিক ৫-০ শতাংশ, চৰাইদেউত ৫০ দশমিক ৯-৪ শতাংশ, শিৱসাগৰত ৫৭ দশমিক ৭-২ শতাংশ, মাজুলীত ৬১ দশমিক ৬-৭ শতাংশ, যোৰহাটত ৭২ দশমিক ১ শতাংশ, গোলাঘাটত ৫২ দশমিক ৫-১ শতাংশ, ধেমাজিত ৬২ দশমিক ১ শতাংশ, লখিমপুৰত ৬৬ দশমিক ৫ শতাংশ, শোণিতপুৰত ৫২ দশমিক ৫ শতাংশ আৰু বিশ্বনাথত ৬৪ দশমিক ৫-১ শতাংশ ভোটদান সম্পন্ন হৈছে। আনহাতে বৰাক উপত্যকাৰ কাছাৰ জিলাত ৫৮ দশমিক ৫-৫ শতাংশ, হাইলাকান্দিত ৬০ দশমিক ১-০ শতাংশ আৰু শ্ৰীভূমি জিলাত ৬০ দশমিক ১-৫ শতাংশ ভোটদান সম্পন্ন হয়।

সামগ্ৰিকভাৱে ভোটদান প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে সম্পন্ন হয় যদিও কোনো কোনো অঞ্চলত অৱশ্যে দুই-এটা বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে। এই কেন্দ্ৰসমূহত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পুনৰ ভোটগ্ৰহণ হ'বলগীয়া ৪৩টাকেন্দ্ৰৰ ভিতৰত হাইলাকান্দিত ৩১ টা, শ্ৰীভূমিত ৮টা, লক্ষিমপুৰত ২টা, গোলাঘাটত ১টা আৰু মাজুলীত ১টাকৈ ভোটকেন্দ্ৰ আছে।

ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী এই ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ সংখ্যা ৮৯ লাখ ৬০ হাজাৰ ৫৭৭। এই জিলাকেইখনত ২১৬ টা জিলা পৰিষদ, এহেজাৰ ১৩৯ টা আঞ্চলিক পঞ্চায়ত আৰু ১১ হাজাৰ ৩৯০ টা গাঁও পঞ্চায়তৰ ৱাৰ্ড আছে।

অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। দুয়োটা পৰ্যায়ৰে ভোটগণনা অহা ১১ মে'ত সম্পন্ন হ'ব।

০০০০

এতিয়া শুনক ৱেভছ সন্মিলনৰ বাতৰি **(মনতাজ)**

মুম্বাইত অনুষ্ঠিত বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ ২০২৫ত কালি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ কলা-সংস্কৃতিৰ প্ৰদৰ্শন কৰা হয়। কালি এই সন্মিলনত মিচিং জনগোষ্ঠীৰ নৃত্যশিল্পীৰ দ্বাৰা পৰিৱেশিত পৰম্পৰাগত গুমৰাগ নৃত্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। অসমৰ পৰা মুম্বাইলৈ যোৱা শিল্পীসকলে গুমৰাগ নৃত্য পৰিৱেশন কৰাৰ উপৰি ত্ৰিপুৰাৰ ৰিয়াং জনগোষ্ঠীৰ নৃত্যশিল্পীসকলে হোজাগিৰি লোকনৃত্যও পৰিৱেশন কৰে। কালি ৱেভৰ মঞ্চত ৰিয়েলিটি শ্বো শাখাত **ফনকাৰছ বেগু**ক পুৰস্কাৰ প্ৰদান কৰা হয়। এই বেগুত অসমৰ দুগৰাকী যুৱক নয়নজ্যোতি খাটনিয়াৰ আৰু সঞ্জয় বসুমতাৰীও আছে। ৱেভছ সন্মিলনত লাভ কৰা অভূতপূৰ্ব সঁহাৰিৰ প্ৰতি

লক্ষ্য ৰাখি এই সন্মিলন পূৰ্বৰ দুবছৰৰ পৰিৱৰ্তে প্ৰতিবছৰে অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰে।

কালি ৱেভছত গ্ল'বেল মিডিয়া ডাইলগ ২০২৫ শীৰ্ষক এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকৰ অন্তত সদস্য ৰাষ্ট্ৰসমূহে ৱেভছ ঘোষণা পত্ৰও গ্ৰহণ কৰে।

এই ৱেভছ সন্মিলনৰ ভিত্তিত আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই সন্মিলনত অংশগ্ৰহণ কৰা অসমৰ কেইবাগৰাকী প্ৰতিনিধিয়ে তেওঁলোকৰ মন্তব্য আগবঢ়াব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মূৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

সাহিত্য একাডেমীয়ে ২০২৫ চনৰ অনুবাদ বঁটাৰ বাবে  সাহিত্য একাডেমীৰ স্বীকৃতিপ্ৰাপ্ত ২৪ টা ভাৰতীয় ভাষাত ৰচিত গ্ৰন্থ বিচাৰি  ভাৰতীয় অনুবাদক, অনুবাদকৰ শুভাকাংক্ষী অথবা প্ৰকাশকলৈ আহ্বান জনাইছে। গ্ৰন্থসমূহ ২০১৯, ২০২০, ২০২১, ২০২২ আৰু ২০২৩ অৰ্থাৎ ২০১৯ৰ ১ জানুৱাৰীৰ পৰা ২০২৩ৰ ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰকাশ পোৱা হ'ব লাগিব। এই বঁটাত ৫০ হাজাৰ টকাৰ লগতে এখন মানপত্ৰ থাকিব। ইচ্ছুকসকলে প্ৰকাশিত গ্ৰন্থৰ এটাকৈ কপি নিৰ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি ৩১ মে' ২০২৫ৰ ভিতৰত প্ৰেৰণ কৰিব লাগিব। এই বঁটা সম্পৰ্কে সবিশেষ জানিবলৈ ইচ্ছুকসকলে সাহিত্য একাডেমীৰ ৱেবছাইট www.sahityaakademi.gov.in চাব পাৰে।

০০০০০

জাপান চৰকাৰৰ সংসদ ভৱনৰ অধ্যক্ষ তথা লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টীৰ সাংসদ ফুকুছিৰো নুৰাগা আৰু ৫ গৰাকী সাংসদৰ সৈতে তিনি দিনীয়া ভ্ৰমণসূচীপে আজি অসমলৈ আহিব। আজি সন্ধিয়া জাপানৰ দলটোৱে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰিব। কাইলৈ পুৱাই প্ৰতিনিধি দলটো উত্তৰ গুৱাহাটীত অৱস্থিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত উপস্থিত হ'ব।

০০০০০০

অসমত আবৃত্তিৰ ধাৰা শীৰ্ষক শৃংখলাৰ দ্বিতীয়টো দৃষ্টিপাত আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট গীতিকাৰ, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০০০০০০